## (খ) আকালি দল (Akali Dal)

ভাৰতৰ আঞ্চলিক দল সমূহৰ ভিতৰত পাঞ্জাৱৰ আকালি দল এটা উল্লেখযোগ্য দল। আকালি দলটো সম্প্ৰদায় আৰু ধৰ্মৰ ভিত্তিত গঠিত হোৱা আঞ্চলিক দল। আকালি দলৰ জন্ম হৈছিল ১৯২০ চনৰ ১৪ ডিচেম্বৰত শিখ ধৰ্মাৱলম্বী সকলৰ গুৰুদ্বাৰ সংস্কাৰ আন্দোলনৰ ৰাজনৈতিক শাখা হিচাপে। শিখ সকলৰ স্বাৰ্থ ৰক্ষা কৰাই এই দলৰ মুখ্য উদ্দেশ্য। শিখ লোক সকলৰ বাহিৰে কোনো লোকক আকালি দলৰ সদস্য হ'বলৈ দিয়া নহয়। আকালি দলে এখন সম্পূৰ্ণ পাঞ্জাৱী ভাষা কোৱা পাঞ্জাৱী ৰাজ্যৰ দাবী জনাই আহিছিল।

ভাষাৰ ভিত্তিত পঞ্জাৱ ৰাজ্যৰ পুনৰ গঠন হোৱাৰ পিছত আকালি দলে ১৯৬৭ চন আৰু ১৯৭৭ চনত ৰাজ্যখনৰ ক্ষমতা দখল কৰিবলৈ সমৰ্থ হৈছিল। আঞ্চলিক দলৰ চৰকাৰ হিচাপে আকালি দলে পঞ্জাৱৰ ৰাজনীতিত নিয়ন্ত্ৰণকাৰী ভূমিকা গ্ৰহণ কৰিবলৈ সমৰ্থ হয়। আকালি দলে ৰাজ্যৰ ৰাজনীতিত

Scanned by CamScanner

নিয়ন্ত্ৰণকাৰী ভূমিকা গ্ৰহণ কৰিবলৈ সমৰ্থ হ'লেও সকলো শিখ লোকৰ পৰা সমৰ্থন লাভ কৰাত ব্যৰ্থ হৈছিল। ১৯৭১ চনৰ লোকসভাৰ নিৰ্বাচনত এইদলে পঞ্জাবৰ ১৩ খন আসনৰ ভিতৰত এখনহে আসন লাভ কৰিবলৈ সমৰ্থ হৈছিল। ঠিক সেইদৰে ১৯৭২ চনৰ বিধান সভাৰ নিৰ্বাচনত ১১৭ খন আসনৰ ভিতৰত ২৪ খনতহে জয়লাভ সাব্যস্ত কৰিব পাৰিছিল।

১৯৭৩ চনত আকালি দলৰ আনন্দপুৰ চাহিবত অনুষ্ঠিত সন্মিলনত এই দলে তেওঁলোকৰ আঁচনি আৰু কৰ্মসূচী কিছুমান সন্নিবিষ্ট কৰিছিল। এই কৰ্মসূচী সমূহ হৈছে—

(১) চণ্ডীগড়ক যুক্তৰাষ্ট্ৰীয় প্ৰশাসনৰ অধীনৰ পৰা পঞ্জাবলৈ হস্তান্তৰিতকৰণ,

(২) পাঞ্জাবী ভাষা কোৱা পাঞ্জাবী লোকে কাম কৰা অঞ্চলসমূহ পাঞ্জাবক অৰ্পন,

(৩) কেন্দ্ৰীয় চৰকাৰৰ ভূমিকা সীমিত কৰি বৰ্তমানৰ সংবিধানৰ অধীনত ৰাজ্যসমূহৰ বিকেন্দ্ৰীকৰণ,

(৪) পঞ্জাবৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ অধিকাৰ সুৰক্ষা প্ৰদানৰ লগতে ৰাজ্যখনৰ ভূমি সংস্কৰণ আৰু উদ্যোগীকৰণ,

(৫) সৰ্বভাৰতীয় গুৰুদ্বাৰা আইন,

(৬) ভাৰতৰ চাৰিসীমাৰ ভিতৰত, কিন্তু পঞ্জাবৰ চাৰিসীমাৰ বাহিৰত বাস কৰা সংখ্যালঘু সকলৰ ৰক্ষণাবেক্ষণ আৰু

(৭) সেনা বাহিনীত শিখ সকলৰ বাবে সংৰক্ষিত পদত চৰকাৰী প্ৰৱেশন নীতি পুনৰীক্ষণ।

সাম্প্ৰদায়িক দল হিচাপে জনাজাত আকালি দলে কেৱল মাত্ৰ শিখ সকলৰ স্বাৰ্থৰ প্ৰতিহে অধিক আগ্ৰহী হোৱা দেখা যায়। আকালি দলে বিভিন্ন সময়ত কেন্দ্ৰ চৰকাৰৰ ওচৰত তেওঁলোকৰ দাবীসমূহ জনাই আহিছে। সেইবোৰ হৈছে— কৃষিৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা, পঞ্জাবক এখন দেশৰ ভিতৰতে উন্নত ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰা, বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা কৰা, পঞ্জাবী লোক বাস কৰা অঞ্চলক পঞ্জাবৰ ভিতৰত অন্তৰ্ভুক্ত কৰা, ইত্যাদি।

আকালি দলটোৰ মাজত কেইবাবাৰো বিভাজন হোৱা দেখা যায়। পোন প্ৰথমে ১৯৮৭ চনত আকালি দল দুটা ভাগত বিভক্ত হয়। এই ফৈদ দুটাৰ নেতৃত্ব গ্ৰহণ কৰে ক্ৰমে সুৰজিৎ সিং বাৰনালা আৰু প্ৰকাশ সিং বাদল। প্ৰাক্তন ভাৰতীয় আৰক্ষী বিষয়া চিৰমনজিৎসিং মানে অন্য এটা আকালি দল গঠন কৰে। পিছত বাৰনালা গোটটো প্ৰকাশ সিং বাদলৰ গোটৰ লগত চামিল হয়। ১৯৯৯ চনত এইদলটো বাদল আৰু তোহৰাৰ মাজত বিভক্ত হয়। অৱশ্যে বৰ্তমান সময়ত প্ৰকাশ সিং বাদলৰ দলটো শক্তিশালী আকালি দল হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। আৰু এই দলে ভাৰতীয় জনতা পাৰ্টি মিত্ৰজোট এন ডি এৰ লগত লগ হৈ কেন্দ্ৰৰ শাসনত অধিষ্ঠিত হৈ আছে।

Scanned by CamScanner